

# জৱাহৰ জ্যোতি

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

দ্বাদশ সংখ্যা : ১৯৮৯-৯০

তত্বাৱধায়ক :
শ্ৰীলক্ষী কান্ত শৰ্মা

সম্পাদক :
এম্ নাছিৰ উদ্দিন আহমেদ

## সম্পাদনা সমিতি ঃ

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ, সভাপতি
অধ্যাপক শৰৎ চন্দ্ৰ তালুকদাৰ, উপসভাপতি
অধ্যাপক লক্ষী কান্ত শৰ্মা, তত্বাৱধায়ক
অধ্যাপক বসন্ত কুমাৰ দত্ত, সদস্য
অধ্যাপক ধৰ্মকান্ত বৰুৱা, সদস্য
অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা সদস্য
অধ্যাপক যতীন মেধি, সদস্য
এম্ নাছিৰউদ্দিন আহমেদ, সম্পাদক
শ্ৰীপ্ৰণয় কলিতা ( সাধাৰণ সম্পাদক ) ছাত্ৰ সদস্য

## বেটুপাত শিল্পী ঃ

অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া

অঙ্গ-সজ্জা ঃ সম্পাদক, তত্বাৱধায়ক

আলোক ঃ ৰূপা ষ্টুডিঅ', বকো

ছপা ঃ জনতা প্ৰেছ, মিৰ্জা

---

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৮৯-৯০ চনৰ ছাত্ৰ একতা সভাৰ হৈ, এম্ নাছিৰউদ্দিন আহমেদৰ দ্বাৰা প্ৰকাশিত আৰু জনতা প্ৰেছ ( মিৰ্জা )ত মুদ্ৰিত ।




# অশ্ৰু-অঞ্জলি

আমি অশ্ৰু-অঞ্জলি যাচি শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ—মিজো নেচনেল ফ্ৰণ্টৰ নেতা আৰু মিজোৰামৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালডেঙ্গা, বিশিষ্ট গায়ক তাবিক-উদ্দিন আহমেদ, প্ৰবীণ মুক্তি যুঁজাৰু গান্ধীবাদী নেতা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কমলাপতি ত্ৰিপাঠী, আবচুৰ সভাপতি তথা স্বনামধন্য যুৱনেতা উপেন ব্ৰহ্ম, বিশিষ্ট গল্পকাৰ স্নেহ দেৱী, বড়ো সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক বিষ্ণুৰাম বড়ো, মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কেপ্টেইন উইলিয়ামচন চাংমা, ভাৰতীয় চিনেমা শিল্পৰ অন্যতম প্ৰতিষ্ঠাতা ভি. শান্তাৰাম, জনপ্ৰিয় চিনেমা অভিনেতা বিনোদ মেহৰা, ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্ত আৰ. ভি. এচ. পেৰি শাস্ত্ৰী, বয়োবৃদ্ধা মহিলা ৰাজনীতিজ্ঞা বিজয়লক্ষ্মী পণ্ডিত আৰু অসমৰ বিভিন্ন ঠাইত বোমা বিস্ফোৰণকে ধৰি নানান হিংসাত্মক কাৰ্যত নিহত হোৱা জ্ঞাত-অজ্ঞাত লোক সকলক আৰু লগতে আমাৰ মহা-বিদ্যালয়ৰ স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ ফণীন্দ্ৰ ৰাভা আৰু উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ( বিজ্ঞান শাখাৰ ) ছাত্ৰ বিকাশ বড়োৰ অকাল বিয়োগত আমি গভীৰ দুখ প্ৰকাশ কৰিছোঁ আৰু তেখেত সকলৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।



# কৰ্ম্ম ব্যস্ততাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ



শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ ।

# সূচীপত্ৰ


সম্পাদকীয় :

## কবিতা

| | | |
|---|---|---|
| এই বতাহ এই আন্ধাৰ | শ্ৰীললিত চন্দ্ৰ ৰাভা | ১ |
| সংগ্ৰাম | শ্ৰীদীপাঙ্কৰ কলিতা | ২ |
| নেলছন মেণ্ডেলা | মিচ মামনি শৰ্মা | ২ |
| দক্ষ যজ্ঞ | শ্ৰীকৈলাশ কলিতা | ৩ |
| আহ্বান | শ্ৰীযজ্ঞেশ্বৰ কলিতা | ৩ |
| জীয়া প্ৰতিশোধ | কুমাৰী মীৰা মহন্ত | ৪ |
| সংকল্প | শ্ৰীপ্ৰদীপ কুমাৰ | ৪ |
| অধিকাৰৰ চিত্ৰৰ | শ্ৰীৰণিত বড়ো | ৫ |
| অস্তিত্বৰ সন্ধান | শ্ৰীবিশ্বজিত দাস | ৫ |
| প্ৰোজ্জ্বল স্বপ্ন | মঃ ফজলুৰ ৰহমান খান | ৬ |
| জীৱনৰ গীত | শ্ৰীপ্ৰবোধ চন্দ্ৰ বড়ো | ৬ |
| চিন্তা | মিচ বন্তাৱতী ৰাভা | ৭ |
| আলি কেৰ্কুৰিত | মঃ নাছিৰুদ্দিন আহমেদ | ৭ |
| অক্টোপাচ | মঃ পাহমত আলী | ৮ |
| নগ্ন শতিকা | মিচ বিচিত্ৰা দলৈ | ৮ |
| শাসন আৰু আন্দোলন | মঃ হবিবুৰ ৰহমান | ৯ |
| ব্যতিক্ৰম | শ্ৰীগনেশ কলিতা | ৯ |
| মই | মিচ গজমতী সাহা | ১০ |
| আশা | শ্ৰীক্ষীৰোদ কুমাৰ চৌধুৰী | ১০ |
| অধীৰ অপেক্ষা | মঃ চুকুৰ আলি | ১১ |
| ধাৰাবাহিক | শ্ৰীবসন্ত কুমাৰ দত্ত | ১২ |

## গল্প


| | | |
|---|---|---|
| চিন্তাৰ চাকনৈয়াত হেডমাষ্টৰ | শ্ৰীশঙ্কৰ মহন্ত | ১৩ |
| অভিব্যক্তিৰ অন্তৰালত | মঃ পাহমত আলী | ১৭ |
| এপাহ ফুলৰ মৃত্যু | শ্ৰীললিত চন্দ্ৰ ৰাভা | ২০ |
| চতুৰ্দ্দশীৰ জোন | শ্ৰীকৈলাশ কলিতা | ২৪ |
| প্ৰস্তুতি | শ্ৰীবিজয় কুমাৰ নাথ | ২৮ |


## প্ৰবন্ধ


| | | |
|---|---|---|
| সুন্দৰৰ সাধক শিল্পী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা | মিচ. বৃথিকা কাকতি | ৩২ |
| অসমৰ ঐক্য-সংহতিত মহাপুৰুষ শংকৰদেৱৰ অৱদান | এম্ নাছিৰ উদ্দিন আহমেদ | ৩৬ |
| বিজ্ঞান জগতৰ এটি উজ্জ্বল জ্যোতিষ্ক: ভাৰতীয় বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকটৰমণ | শ্ৰীললিত কুমাৰ বড়ো | ৪০ |
| মানৱ সম্পদ পৰিকল্পনা আৰু উত্তৰ পূৰ পৰিষদ | শ্ৰীঅৰুণ চন্দ্ৰ পাটোৱাৰী | ৪৩ |
| সংস্কৃতৰ মূৰ্দ্ধন্য আৰু উষ্ম ধ্বনিৰ উৎপত্তি-প্ৰয়োগ, অসমীয়াত ইয়াৰ উচ্চাৰণ | শ্ৰীযতীন চন্দ্ৰ মেধি | ৪৬ |
| বকো অঞ্চলৰ স্থানবাচক (শব্দ সমূহৰ) নামকৰণত এভুমুকি | শ্ৰীধৰ্মকান্ত বৰুৱা | ৫০ |
| 'জৱাহৰ জ্যোতি'ৰ প্ৰথম দহোটি সংখ্যাৰ গল্প সাহিত্য: এটি চমু সমীক্ষা | শ্ৰীঅতুল চন্দ্ৰ দাস | ৫৬ |
| এটি গীত | দিলীপ দাস | ৬৩ |
| বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদনসমূহ | | ৬৪ |
| ১৯৮৯-৯০ চনৰ মহাবিদ্যালয়ৰ সপ্তাহৰ ফলাফল | | ৭৭ |

# সম্পাদকীয়

**শিক্ষান্ত পৰীক্ষা সমূহৰ ফলাফল সন্দৰ্ভত ঃ** বিগত কেইবাবছৰ ধৰি শিক্ষান্ত ( Final ) পৰীক্ষাসমূহৰ (হাইস্কুল শিক্ষান্তৰপৰা স্নাতক পৰ্যন্ত) ফলাফলবোৰ মুঠেই সন্তোষজনক হোৱা নাই । গড় অনুপাতত প্ৰায় ৭০% শতাংশৰো অধিক পৰীক্ষাৰ্থী অকৃতকাৰ্য হৈ আহিছে । পৰীক্ষাসমূহত কৃতকাৰ্যতাৰ হাৰ এনে নিম্নগামী হোৱাত সচেতন ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলো কম উদ্বিগ্ন হোৱা নাই । সমস্যাটোৰ সন্দৰ্ভত ৰাইজৰ উদ্বিগ্নতাৰ কথা সময়ে সময়ে কাকতে-পত্ৰে প্ৰকাশ পালেও সমস্যাটোৰ গভীৰতাত সোমাই মূল কেৰোণ-বোৰ উদ্ঘাটন কৰি তাক দূৰ কৰিবৰ কাৰণে কোনো কাৰ্যকৰী পৰামৰ্শ আগবঢ়োৱা দেখা নাযায় । গোটেই বিষয়টো যিহেতু সমাজৰ আৰ্থ-সামাজিক অৱস্থাৰ লগত অঙ্গাঙ্গী হৈ আছে সেয়ে ইয়াৰ সমাধানৰ কাৰণে ব্যাপক পৰিসৰত চিন্তা-চৰ্চাৰ প্ৰয়োজন আছে । সীমিত পৰিসৰৰ কাৰণে ইয়াক বহলভাৱে আলোচনা নকৰি আমি কেৱল সমস্যাটোৰ গুৰুত্বৰ কথাহে উল্লেখ কৰিলোঁ । বিষয়টোৰ লগত যি সকল লোক জড়িত হৈ আছে সেইসকল শীঘ্ৰে আগবাঢ়ি আহি এনে এটা জাতীয় অপচয় ৰোধ কৰাৰ কাৰ্যকৰী ব্যৱস্থা হাতত ল'ব বুলি আশা ৰাখিলোঁ । কিন্তু এটা কথা আমি ক'ব পাৰোঁ যে পৰীক্ষাৰ ফলাফল উন্নত কৰিবলৈ হ'লে প্ৰথমে চৰকাৰ, শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে তেওঁলোকৰ ওপৰত থকা নিজা নিজা দায় দায়িত্ববোৰ যথাযথভাৱে পালন কৰিব লাগিব ।

**দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত ঃ** দেশৰ সাম্প্ৰতিক পৰিস্থিতি মুঠেই সন্তোষজনক নহয় । আভ্যন্তৰীণ আৰু বৈদেশিক—উভয় ক্ষেত্ৰতে দেশে যেন এক অগ্নি পৰীক্ষাৰহে সন্মুখীন হৈছে । আভ্যন্তৰীণ ক্ষেত্ৰত পঞ্জাব সমস্যা, কাশ্মীৰ সমস্যা, উত্তৰ পূৰ্বাঞ্চলৰ সমস্যাসমূহ—বিশেষকৈ অসমৰ বড়ো সমস্যা এতিয়াও জ্বলন্ত হৈয়েই আছে । এই সমস্যাসমূহে আজি চৰকাৰ পক্ষক ত্ৰাহি মধুসূদন দেখুৱাব লাগিছে । কিন্তু তাতোকৈ ডাঙৰ কথা হৈছে ইয়াৰপৰা উদ্ভৱ হোৱা সন্ত্ৰাসবাদ আৰু হিংসাৰ বলি হ'ব লগা হৈছে অগণন নিৰীহ আৰু নিৰপৰাধী লোক । দেশৰ নেতাসকলৰ ৰাজনৈতিক বিচক্ষণতা, চাতুৰী, বাস্তৱ বিচাৰ বুদ্ধি, অন্তৰ্দৃষ্টি তথা দূৰদৃষ্টিৰ অভাৱ আদি যি কাৰণতেই এই সমস্যাসমূহৰ উদ্ভৱ নহওক লাগিলে—গণতান্ত্ৰিক দেশ এখনত হিংসা বা সন্ত্ৰাসবাদ সমস্যা সমাধানৰ গ্ৰহণযোগ্য পথ কেতিয়াও হ'ব নোৱাৰে । আনহাতে চৰকাৰৰ কঠোৰ দমন নীতিও কোনোপধ্যে সমৰ্থনযোগ্য নহয় । এনে পৰিস্থিতিত চৰকাৰ পক্ষ নীৰৱ দৰ্শক হৈ বহি নাগৰিক সমস্যাৰ গভীৰতাত সোমাই সংবিধানৰ গণ্ডীৰ ভিতৰতে থাকি আলোচনাৰ মেজত বহি সদিচ্ছা, পাৰস্পৰিক বুজাবুজি আৰু দিয়-এৰাৰ নীতিৰে সমস্যাসমূহ সমাধানৰ কাৰণে আগবাঢ়ি আহিব লাগিব । এই ক্ষেত্ৰত কোনোটো পক্ষই আঁকোৰগোজ মনোভাৱ ৰখাটো বাঞ্ছনীয় নহয় ।

দেশৰ এনে অগ্নিগৰ্ভা পৰিস্থিতিৰ মাজতে এচাম সুবিধাবাদী লোকে ধৰ্মক লৈ ৰাজনীতিৰ পাশা খেল আৰম্ভ কৰাত যাউতিযুগীয়া সাম্প্ৰদায়িক সম্প্ৰীতিৰ ভেটিটো বিনষ্ট হোৱাৰ উপক্ৰম হৈছে। বিশেষকৈ ৰাম জন্মভূমি বাবৰী মছজিদ বিবাদে এতিয়া দেশৰ সন্মুখত জটিল প্ৰশ্ন ৰূপে দেখা দিছে। ধৰ্ম-নিৰপেক্ষ দেশ হিচাপে ভাৰতবৰ্ষত সকলো সাম্প্ৰদায়ৰ লোকৰে নিজ নিজ বিশ্বাস অনুসৰি ধৰ্ম পালনৰ স্বাধীনতা আছে। এনে ক্ষেত্ৰত এটা সম্প্ৰদায়ৰ লোকৰ ধৰ্মীয় আধিপত্যই যাতে আন এটা সম্প্ৰদায়ৰ ধৰ্মীয় অনুভূতি ক্ষুণ্ণ কৰিব নোৱাৰে তালৈ চৰকাৰ তথা দেশবাসী সদা সচেষ্ট থকা প্ৰয়োজন। এইখন গান্ধীৰ দেশ য'ত বাপুজীয়ে ঈশ্বৰ-আল্লা বা ৰাম-ৰহিম একে বুলি ৰামধুন গাই দেশবাসীৰ হৃদয় আত্মা পৱিত্ৰ কৰি তুলিছিল। গতিকে ৰাম জন্মভূমি-বাবৰী মছজিদৰ নিচিনা প্ৰশ্নই যাতে যাউতিযুগীয়া সাম্প্ৰদায়িক মিলাপ্ৰীতি তথা ভ্ৰাতৃত্বভাব বিনষ্ট কৰিব নোৱাৰে তাৰ কাৰণে সংশ্লিষ্ট পক্ষসমূহ আগবাঢ়ি আহি কোনো এটা সম্প্ৰদায়ৰে ধৰ্মীয় অনুভূতি ক্ষুণ্ণ নকৰাকৈ আৰু কোনো ধৰণৰ আবেগ বশৱৰ্তী নহৈ যিমান সোনকালে সম্ভৱ হয় সমস্যাটোৰ মীমাংসা কৰিব লাগে। আমি সকলো পক্ষৰে শুভ বুদ্ধিৰ উদয় হোৱাটো কামনা কৰোঁ।

আভ্যন্তৰীণ ক্ষেত্ৰত দেশৰ উন্নয়নমূলক আঁচনিসমূহ কাৰ্যকৰী কৰিবৰ কাৰণে আন্তৰ্জাতিক শান্তি অব্যাহত থকাটো অপৰিহাৰ্য। বৰ্তমান আন্তৰ্জাতিক পৰিস্থিতি প্ৰতিকূল বুলিয়ে কব লাগিব আৰু বিশেষকৈ ইৰাকে কোৱেইট দখল কৰাৰ পাচত উদ্ভৱ হোৱা উপসাগৰীয় সংকটৰ ফলত ক্ষতি হোৱা অৰ্থৰ জোৰা মাৰিবলৈ ভাৰত চৰকাৰে পেট্ৰলজাত সামগ্ৰীকে ধৰি নিত্য ব্যৱহাৰ্য বস্তুবোৰৰ দাম ভালেখিনি বৃদ্ধি কৰিব লগাত পৰিছে। যাৰ ফলত সৰ্বসাধাৰণ লোকৰ জীৱন ধাৰণ কঠিন হৈ উঠিছে। ইয়াৰ উপৰি দেশখনক অস্থিৰ কৰি তুলিবলৈ চুবুৰীয়া দেশ কিছুমানে অহৰহ চল-চক্ৰান্ত চলায়ে আছে। এনেবোৰ শক্তিয়ে যাতে গা-কৰি উঠিব নোৱাৰে তাৰ কাৰণে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা মজবুত কৰাৰ লগতে সীমান্তবোৰ অধিক সুৰক্ষিত কৰি ৰখাটো নিতান্ত প্ৰয়োজন হৈ পৰিছে।

দেশৰ এই অগ্নিগৰ্ভা পৰিস্থিতিত দেশখনৰ নিৰাপত্তা তথা অখণ্ডতা ৰক্ষা কৰি উন্নয়নমূলক কাম-কাজবোৰ সম্পাদন কৰিবৰ কাৰণে এখন নিকা আৰু সুস্থিৰ চৰকাৰ অতি প্ৰয়োজন। কিন্তু দুৰ্ভাগ্যৰ কথা যে ভাৰতবৰ্ষত বৰ্তমান আভ্যন্তৰীণ দলীয় ৰাজনীতিয়ে যি ৰ. .নতিক ভ্ৰষ্টাচাৰৰ সূচনা কৰিছে তাত এখন সুস্থিৰ চৰকাৰ আশা কৰাটো কঠিন হৈ পৰিছে। বিভিন্ন দলবোৰৰ মাজত পাৰস্পৰিক অসূয়া-বিদ্বেষ আদি থকাটোৱেই স্বাভাৱিক। কিন্তু শাসনাধিষ্ঠ দলৰ ভিতৰতে উপদলীয় কন্দলৰ সৃষ্টি হৈ বৰ্তমান যি বিসম্বাদী ৰাজনীতিয়ে গা-কৰি উঠিছে সি গোটেই ৰাজনৈতিক আৱহাৱাকে কলুষিত কৰি তুলিছে। সুবিধাবাদী নেতা এচামে তেওঁলোকৰ ব্যক্তিগত উচ্চাকাংক্ষা চৰিতাৰ্থ কৰিবৰ কাৰণেই সকলো প্ৰকাৰ নীতি-নিয়ম তথা দলীয় শৃংখলা জলাঞ্জলি দি এনে ধৰণৰ নীচক ষড়যন্ত্ৰত লিপ্ত হৈ পৰা পৰিলক্ষিত হৈছে। আমি বিচাৰো যিসকলে ৰাজনীতিক পেচা হিচাপে লয় সেইসকলে যেন ব্যক্তিগত

ক্ষুদ্র স্বাৰ্থক তুচ্ছ জ্ঞান কৰি জাতি তথা দেশ গঢ়াৰ কামত আত্মনিয়োগ কৰি উঠি অহা চামক নিস্বাৰ্থ দেশ সেৱাৰ মহান আদৰ্শ দেখুৱায়।

**আন্তৰ্জাতিক ক্ৰীড়া প্ৰতিযোগিতা ঃ বেইজিং এছিয়াড আৰু ভাৰতবৰ্ষ ঃ** বৰ্তমান কালত দেশলৈ সন্মান তথা গৌৰৱ কঢ়িয়াই আনি বিশ্বদৰবাৰৰ চকুত চমকনি লগোৱা কিবা যদি যাদু আছে তেনেহ'লে সেই যাদু হ'ল আন্তৰ্জাতিক ক্ৰীড়াঙ্গনত বিজয় লাভ। আগতে ৰণাঙ্গনত জয়লাভ কৰি যিদৰে দেশৰ গৌৰৱ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল বৰ্তমান তাৰ ঠাইত আন্তৰ্জাতিক ক্ৰীড়াঙ্গনত জয় লাভ কৰি দেশ তথা জাতিৰ গৌৰৱ প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা দেখা গৈছে। কাৰণ ক্ৰীড়াঙ্গনত জয় লাভ কৰাত আছে আনন্দ। ইয়াত ৰক্তক্ষয় নাই। তদুপৰি আন্তৰাষ্ট্ৰীয় খেলা-ধূলাৰ প্ৰতিযোগিতাৰ মাধ্যমত বিভিন্ন দেশৰ মাজত পৰস্পৰিক বুজা-বুজি, শান্তি সম্প্ৰীতি তথা সৌহাৰ্দ স্থাপিত হয়। সেয়ে আন্তৰাষ্ট্ৰীয় প্ৰতিযোগিতা সমূহত যোগ্য স্থান লাভ কৰিবৰ কাৰণে খেলা-ধূলাত উৎকৰ্ষতা সাধনৰ অৰ্থে প্ৰায়বোৰ দেশে আগ-ভাগ লৈছে আৰু এই ক্ষেত্ৰত সফলতাও লাভ কৰা দেখা গৈছে।

কিন্তু এই ক্ষেত্ৰত ভাৰতবৰ্ষই ব্যৰ্থতাৰ পিনে গতি কৰা পৰিলক্ষিত হৈছে। বিশেষকৈ এই বছৰত (১৯৯০) বেইজিঙত অনুষ্ঠিত হোৱা একাদশ এচীয় ক্ৰীড়া প্ৰতিযোগিতাত ভাৰত শোচনীয়ভাৱে ব্যৰ্থ হোৱা বুলিয়ে ক'ব লাগিব। যোগদাকাৰী ৩৭ খন দেশৰ মাজত ভাৰতে এটা সোণৰ, ৮টা ৰূপৰ আৰু ১৪টা ব্ৰোঞ্জৰ পদককে ধৰি মুঠ ২৩টা পদক লাভেৰে কোনোমতে একাদশ স্থানটো লাভ কৰিবলৈ সমৰ্থ হৈছে। আনকি পাকিস্তান, ইৰাণ, কাঁটাৰ, থাইলেণ্ড, মালয়ছিয়া, ইণ্ডোনেছিয়াৰ দৰে দেশবোৰেও ভাৰতৰ আগত স্থান অধিকাৰ কৰিলে। চীনৰ পিছতে জনসংখ্যাৰ কালৰপৰা ২য় বৃহত্তম দেশৰূপে পৰিগণিত ভাৰতৰ এই ব্যৰ্থতা সঁচাকৈয়ে পুতৌ লগা। আনহাতে চীনে অভিলেখ সংখ্যক পদক লাভেৰে শীৰ্ষস্থান অধিকাৰ কৰি বিজয় মুকুট পিন্ধিবলৈ সমৰ্থ হৈছে। জাপান আৰু দক্ষিণ কোৰিয়ায়ো নিজ নিজ যোগ্যতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে।

এতিয়া কথা হ'ল এই ব্যৰ্থতাৰ কাৰণ বা গুৰি ক'ত? আমি নাভাবো যে ভাৰতত যোগ্যতা সম্পন্ন খেলুৱৈ নাই বা নোলাব। খেলুৱৈ নিশ্চয় আছে, কিন্তু হয়তো বিচাৰি উলিয়াব পৰা হোৱা নাই। ৰাজনীতিৰ পাকচক্ৰত পৰিও বিভিন্ন সময়ত যোগ্য খেলুৱৈ বাদ পৰাৰ কথা কাকতে-পত্ৰে পঢ়িবলৈ পোৱা যায়। আমাৰ কথা হ'ল ভাৰতবৰ্ষৰ যিটো অঙ্গৰে নহওক লাগিলে খেলুৱৈজনে ভাৰত-বৰ্ষকে প্ৰতিনিধিত্ব কৰিব। সেয়ে খেলুৱৈ নিৰ্বাচনৰ ক্ষেত্ৰত আন সকলো প্ৰকাৰৰ বিচাৰ বিবেচনাৰ ঊৰ্দ্ধত থাকি কেৱল যোগ্যতা আৰু পাৰদৰ্শিতাকে অগ্ৰাধিকাৰ দিয়াটো প্ৰথম কৰ্তব্য। যোগ্যতাৰ মাপ-কাঠীত খেলুৱৈ নিৰ্বাচন কৰি আনি উপযুক্ত প্ৰশিক্ষণেৰে যদি গঢ়ি তোলা হয় নিশ্চয় তাত সুফল পোৱা যাব। তদুপৰি খেলাধূলাৰ প্ৰতি আকৰ্ষণ তথা আগ্ৰহ জন্মাবৰ বাবে খেলুৱৈ সকলে যাতে

খেলজীৱন সমাপনৰ পিচতো আৰ্থিক নিৰাপত্তাৰ অভাৱত ভুগিব লগা নহয় তাৰ প্ৰতি চৰকাৰে সজাগ দৃষ্টি ৰখাটো দৰকাৰ। কি দোষত্ৰুটি তথা কিহৰ অভাৱৰ কাৰণে ভাৰতীয় খেলুৱৈসকলে পাৰদৰ্শিতা দেখুৱাব পৰা নাই সেই বিষয়ে আমি একো কব খোজা নাই। খেল-বিশেষজ্ঞ সকলে এই বিষয়ে চকু দিব। অতীত অভিজ্ঞতাৰ পৰাই মানুহে শিকিবলৈ যত্ন কৰে। খেলা-ধূলাৰ লগত জড়িত সংশিষ্ট সন্থাসমূহে হৈ যোৱা দোষ-ত্ৰুটিবোৰ চালি-জাৰি চাই সেইবোৰ নিৰাময় কৰি নতুন উৎসাহ আৰু পদক্ষেপেৰে আগবাঢ়ি গলে ভাৰতেও যে সন্মানিত আসন এখন লাভ কৰিবলৈ সমৰ্থ হ'ব তাত কোনো সন্দেহ নাই।